**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-04-2026
**Time :** 17-15 Hrs

# ASSAMESE EVEN BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::::::

১। আজি পহিলা ব'হাগ। অসমীয়া নৱবৰ্ষৰ প্ৰথম দিনটোত বছৰটোলৈ কুশল কামনাৰে সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয়ত ভক্তৰ সমাগম।

২। অসম সাহিত্য সভাৰ পহিলা ব'হাগৰ দিনটো নিজৰ দিন হিচাপে উদযাপন।

৩। বিহাৰৰ নতুন মুখ্যমন্ত্ৰী হিচাপে সম্ৰাট চৌধুৰীৰ শপতগ্ৰহণ। *আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ সন্মুখীন।

ooooo

ৰঙালী বিহুৰ আজি দ্বিতীয় দিনটো ৰাজ্যজুৰি মানুহ বিহু হিচাপে পালন কৰা হৈছে। ৰঙালীৰ পদূলিত অসমীয়া নৱবৰ্ষক আদৰি সকলোৱে আজি মাহ, হালধিৰে গা ধুই বছৰটোৰ বাবে মংগল কামনা কৰে। নিজৰ লগতে পৰিয়াল তথা সমাজৰ কুশল কামনাৰ বাবে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ সত্ৰ, নামঘৰ, মন্দিৰ, দৌল-দেৱালয় আদিত বহু লোকৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ মন্দিৰসমূহতো আজি পুৱাৰে পৰা নেদেখা জনৰ আশিস লোৱাৰ বাবে বহু লোক সমবেত হৈছে। খানাপাৰা, গণেশগুৰি আৰু লতাশিলৰ গণেশ মন্দিৰ, শক্তিপীঠ কামাখ্যা ধাম, উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ মন্দিৰকে ধৰি ধৰ্মীয় স্থানসমূহত বহু লোকে সেৱা জনাইছে। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঢোল, পেঁপা, গগনাৰ শব্দই মুখৰিত কৰি তুলিছে। আজি অসমবাসীয়ে হেঁপাহৰ বিহুৱান বিনিময় কৰি পৰস্পৰৰ কুশল কামনা কৰাৰ লগতে জ্যেষ্ঠজনৰ আশিস লয়। পিঠা-পনা, জা-জলপানেৰে অতিথি আপ্যায়ন কৰা হয়। বিভিন্ন ঠাইত মঞ্চ বিহুৰ কাৰ্যসূচী অনুষ্ঠিত হৈছে। উজনি অসমৰ আটাইকেইখন জিলা আৰু নামনি অসমতো বিহু উপলক্ষে আনন্দ মুখৰ পৰিৱেশৰ সৃষ্টি হৈছে।

মৰিগাঁও জিলাতো অহা ১৮ এপ্ৰিলৰ পৰা ২৬ এপ্ৰিললৈ গোভা ব'হাগ বিহু পালনৰ প্ৰস্তুতি আৰম্ভ হৈছে। ১৪শ শতিকাতে গোভা ৰজাই প্ৰচলন কৰা এই বিহুৱে তিৱা জনগোষ্ঠী আৰু বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত তিৱা লোকাচাৰসমূহক জীয়াই ৰখাৰ লগতে সমন্বয় সাধনত বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। গোভা ব'হাগ বিহু পালন সন্দৰ্ভত গোভা দেওৰজা ৰাজদৰবাৰৰ সম্পাদক জুৰচিং বৰদলৈয়ে এনেদৰে কয়—

**বাইট**

বছৰটো কুশলে যোৱাৰ কামনাৰে মাজুলীৰ সত্ৰসমূহত ধূপ-চাকি লগাই সেৱা আগবঢ়োৱা হয়। যোৰহাট জিলাৰ ঐতিহাসিক ঢেকীয়াখোৱা বৰনামঘৰতো আজি পুৱাৰে পৰা ভক্তৰ ভিৰ পৰিলক্ষিত হয়। ভক্তসকলে বৰনামঘৰত অক্ষয় বন্তিৰ সন্মুখত ধূপ-দীপ আৰু নৈবেদ্যৰে সেৱা লয়।

শিৱসাগৰ জিলাত সদৌ টাই আহোম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলা সমিতিৰ উদ্যোগত আৰু ৰংপুৰবাসীৰ সহযোগত ৰংঘৰ বাকৰিত আজি দিনজোৰা কাৰ্যসূচীৰে ৰঙালী বিহু পালন কৰিছে। পুৰা প্ৰতীকি স্বৰ্গদেউক লৈ

ঐতিহাসিক তলাতল ঘৰৰ পৰা ৰংঘৰ বাকৰিলৈ সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিহুৰ লগত সংগতি ৰাখি ৰংপুৰৰ ৰণশিঙা শীৰ্ষক এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। অনুষ্ঠানত চৰাইদেউ হুচৰি দল, নিমাইজান আৰু বকতা হুচৰি দলৰ প্ৰদৰ্শনে ৰংঘৰৰ বাকৰি জীপাল কৰি তোলে।

০০০০০

বড়ো জনগোষ্ঠীৰ লোকসকলে কালিৰে পৰা বৈশাগু উৎসৱ পালন কৰিছে। এই উপলক্ষে আজি বাথৌ মন্দিৰত প্ৰাৰ্থনা জনাই বড়ো ডেকাসকলে কান্ধত খাম, হাতত চিফুং, চেৰজা তুলি লৈ গঞাৰ ঘৰে ঘৰে গৈ বৈশাগু উৎসৱৰ গান গাব। এই উৎসৱ ৭ দিন ধৰি চলিব। বাক্সা জিলাৰ গধূলি গাঁৱৰ কৃষক ৰাইজে কালি কালদিয়া নদীলৈ গৈ গৰু গা ধুৱাই পৰম্পৰাগত ৰীতি-নীতিৰে খাম, চিফুং, চেৰজাৰ তালে তালে বৈশাগু নৃত্য কৰে। একেদৰে জিলাখনৰ সদৰ মুছলপুৰ, মহকুমা সদৰ শালবাৰী, অঞ্চলী, জালাহ, শিমলা, বৰমা, সাউদৰভিঠা, আনন্দবজাৰ, বাঁহবাৰী আদি বিভিন্ন ঠাইত  বৈশাগু উৎসৱৰ আনন্দ মুখৰ পৰিৱেশে বিৰাজ কৰিছে। চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ চানদ্ৰুপ জাংখাৰত কালি গৰু বিহুৰ লগতে ৰংজালি বৈশাগু পালন কৰা হয়। বি টি চিৰ উপাধ্যক্ষ বিজিত গৌড়া নাৰ্জাৰীপ উদ্যোগত আয়োজিত এই অনুষ্ঠানত বিহু, বৈশাগু আৰু ভূটানৰ সংস্কৃতিৰ সুন্দৰ সমন্বয় পৰিলক্ষিত হয়। ভূটানৰ সৈতে বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বাবে এই উৎসৱ পালন  কৰা হয়।

তামুলপুৰ জিলা সদৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ তামুলপুৰ আঞ্চলিক সমিতিৰ উদ্যোগত আজি উলহ-মালহেৰে ৰংজালি বৈশাগু উদযাপন কৰা হয়। বড়ো জনগোষ্ঠীৰ চহকী পৰম্পৰা অনুসৰি আজিৰ এই পবিত্ৰ দিনটোত কনিষ্ঠজনে জ্যেষ্ঠজনৰ পৰা আশিস গ্ৰহণ কৰাৰ লগতে পৰস্পৰৰ মাজত সমন্বয়ৰ বাৰ্তা বিলোৱাৰ প্ৰচেষ্টা হাতত লোৱা হয়। বৈশাগু উৎসৱৰ কাৰ্যসূচী অনুসৰি কেইবাটাও সাংস্কৃতিক দলে পৰম্পৰাগত বৈশাগু গীত আৰু বাগৰুম্বাকে ধৰি বিভিন্ন নৃত্য পৰিৱেশন কৰে। বৈশাগু উৎসৱ উদযাপন সন্দৰ্ভত উদ্যোক্তাসকলে এইদৰে কয়—

**বাইট**

কোকৰাঝাৰ জিলাৰ বাগানশালীৰ বাথৌথানশালীত আজি ৰংজালি বৈশাগু উপলক্ষে বাথৌ আৰোজ অনুষ্ঠিত কৰা হয়। ভক্তসকলে বড়ো সম্প্ৰদায়ৰ আৰাধ্য দেৱতা বাথৌ বাউৰৈৰ বেদীত প্ৰাৰ্থনা কৰি বিশ্বশান্তি, সমৃদ্ধি আৰু সমাগত বছৰটোৰ বাবে আশীৰ্বাদ বিচাৰে।

গোৱালপাৰা জিলাৰ ৰংডোবা গাঁৱৰ বড়ো জনগোষ্ঠীৰ লোকসকলে বৈশাগু উৎসৱ পালনৰ বাবে সাজু হৈছে। গাঁওখনত অহা ১১ আৰু ১২ ব'হাগত ৰংজালী বৈশাগু উৎসৱ পালন কৰা হ'ব। ইয়াৰ বাবে প্ৰতিদিনে বাগৰুম্বা নৃত্যৰ অনুশীলন চলি আছে। আনহাতে কোচ ৰাজবংশীসকলেও তেওঁলোকৰ জাতীয় উৎসৱ বিষুৱা উদযাপন কৰিব।

০০০০০

অসম সাহিত্য সভাই আজি পহিলা ব'হাগৰ দিনটো **নিজৰ দিন** হিচাপে উদযাপন কৰিছে। সভাৰ প্ৰধান সম্পাদক দেবজিৎ বৰাই প্ৰকাশ কৰা মতে ৰাজ্যৰ ভাষা সাহিত্য, সংস্কৃতিৰ বিকাশ আৰু প্ৰসাৰৰ বাবে কাম কৰি থকা তথা জাতীয় জীৱনলৈ গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়োৱা ৫ হাজাৰ গৰাকী ব্যক্তিক আজি পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজাৰ ভিতৰত সাহিত্য সভাৰ বিষয়ববীয়াই ঘৰে ঘৰে গৈ সন্মানিত কৰিব। নিজৰ দিন উপলক্ষে ৰাজ্যৰ জাতীয় জীৱনলৈ বৰঙণি যোগোৱা দেশৰ অন্যান্য ৰাজ্য আৰু বিদেশত বাস কৰা ৬৫ বছৰ ঊৰ্ধৰ ব্যক্তিসকলক সাহিত্য সভাৰ উদ্যোগত ওলগনি পত্ৰ প্ৰেৰণ কৰি সন্মানিত কৰা হ'ব।

০০০০০

বিহাৰৰ উপ-মুখ্যমন্ত্ৰী তথা বিজেপি নেতা সম্ৰাট চৌধুৰীয়ে আজি পাটনাৰ লোক ভৱনত আয়োজিত এটা অনুষ্ঠানত ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। পাটনাৰ ৰাজ্যপাল লেফটেনেণ্ট জেনেৰেল ছৈয়দ অটা হাচনাইনে তেওঁক পদ আৰু গোপনীয়তাৰ শপত গ্ৰহণ কৰায়। শ্ৰীচৌধুৰী ৰাজ্যৰ ২৪ সংখ্যক মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত বিজেপিৰ প্ৰথমগৰাকী নেতা। এই অনুষ্ঠানতে জনতা দল ইউনাইটেডৰ নেতা তথা চৰাইৰ বিধায়ক বিজয় কুমাৰ চৌধুৰী আৰু চুপলৰ বিধায়ক ব্ৰিজেন্দ্ৰ প্ৰসাদ যাদৱেও উপ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

০০০০০

মণিপুৰ চৰকাৰে ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৫ খন উপত্যকা জিলাত মোবাইল ডাটা সেৱা কাইলৈ পৰ্যন্ত বন্ধ ৰখাৰ বাবে নিৰ্দেশ দিছে। ৰাজ্যখনৰ আইন শৃংখলা পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৫ খন উপত্যকা জিলা পশ্চিম ইম্ফল, পূৱ ইম্ফল, কাকচিং, থৌবাল আৰু বিষ্ণুপুৰত যোৱা ৭ এপ্ৰিলৰ পৰা এই সেৱা বন্ধ ৰখা হৈছিল যদিও পুনৰ দুদিনৰ বাবে এই সেৱা বন্ধ ৰখা হৈছে।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ বিষ্ণুপুৰ জিলাৰ ট্ৰংলাওবি গাঁৱৰ এটা পৰিয়ালৰ বাসগৃহত যোৱা ৬ এপ্ৰিলৰ নিশা অচিনাক্ত দুৰ্বৃত্তই বোমাৰে কৰা আক্ৰমণত দুটি শিশুৰে প্ৰাণ হেৰুৱাৰ পাছতে ৰাজ্যখনত প্ৰতিবাদমুখৰ পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাত দুটি শিশুৰ মৃত্যু হোৱাৰ লগতে মাতৃগৰাকী গুৰুতৰভাৱে আহত হয়।

ইয়াৰ পাছতে একাংশ প্ৰতিবাদকাৰীয়ে ৰাজ্যখনৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক ঘাইপথসমূহ অৱৰোধ কৰে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ গৃহ বিভাগে মণিপুৰত মোবাইল ডাটা আৰু ইণ্টাৰনেট সেৱা সাময়িকভাৱে বন্ধ ঘোষণা কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বাংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্চ বাংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

ঃঃ সমাপ্ত ঃঃ